উত্তৰ-পূৰ্বাঞ্চল

মণিপুৰৰ কাংপকপিত প্ৰতিদ্বন্দ্বী উগ্ৰপন্থী গোটৰ মাজত গুলীয়াগুলী, কুকি মহিলাৰ মৃত্যু; এজন আহত

মণিপুৰৰ কাংপকপি জিলাত সন্দেহযুক্ত দুটা প্ৰতিদ্বন্দ্বী উগ্ৰপন্থী গোটৰ মাজত হোৱা গুলীয়াগুলীত এগৰাকী কুকি মহিলাৰ মৃত্যু হৈছে। ঘটনাটোত এজন পুৰুষ আহত হৈছে।

প্ৰকাশ: ১২ নৱেম্বৰ ২০২৬, আবেলি ৫:১৭



Kuki woman killed, man injured in Kangpokpi firing (NewzNow)

ইম্ফল, ১২ নৱেম্বৰ: মণিপুৰৰ কাংপকপি জিলাত সন্দেহযুক্ত দুটা প্ৰতিদ্বন্দ্বী উগ্ৰপন্থী গোটৰ মাজত হোৱা গুলীয়াগুলীত এগৰাকী কুকি মহিলাৰ মৃত্যু হোৱাৰ লগতে এজন পুৰুষ আহত হৈছে।

বৃহস্পতিবাৰে পুৱা প্ৰায় ১১ বজাত কাংপকপি জিলাৰ টাফৌ কুকি গাঁও আৰু কাষৰীয়া সেনাপতি জিলাৰ কেইলেনজাং অঞ্চলৰ মাজত এই গুলীয়াগুলীৰ ঘটনা সংঘটিত হয়।

টাফৌ কুকি গাঁৱৰ মহিলাগৰাকী ওচৰৰ পথাৰত কাম কৰি থকা অৱস্থাত গুলীবিদ্ধ হয়। নিহত মহিলাগৰাকীক নেংবৈ চংলো বুলি চিনাক্ত কৰা হৈছে। মহিলাগৰাকীৰ হাতত এখন কাঁচি আছিল বুলি জানিব পৰা গৈছে। পিছত স্থানীয় বাসিন্দা আৰু নিৰাপত্তাৰক্ষীয়ে তেওঁৰ মৃতদেহ উদ্ধাৰ কৰে।

গুলীয়াগুলীৰ ঘটনাত আহত পুৰুষজনক কাংপকপি জিলাৰ এখন ব্যক্তিগত চিকিৎসালয়লৈ লৈ যোৱা হয়। তেওঁৰ স্বাস্থ্যৰ শেহতীয়া অৱস্থাৰ বিষয়ে বিতং তথ্য প্ৰকাশ পোৱা নাই।

© 2026 NewzNow

উল্লেখ্য যে, যোৱা ২৮ অক্টোবৰত টাফৌ কুকি গাঁৱৰ সমীপৰ পৰা সন্ধানহীন হোৱা দুজন কুকি যুৱকৰ মৃতদেহ ১ নৱেম্বৰত সেনাপতি জিলাত উদ্ধাৰ হৈছিল। সেই ঘটনাৰ পিছতে কাংপকপিত কাংপকপি-ভিত্তিক জনজাতীয় ঐক্য সমিতিয়ে প্রতিবাদী কার্যসূচী গ্রহণ কৰিছিল।

সমিতিখনে টাফৌ কুকি গাঁওখনক বর্তমানৰ সেনাপতি জিলাৰ আৰক্ষী থানাৰ পৰিৱর্তে কাংপকপি জিলাৰ আৰক্ষী অধিক্ষেত্রৰ অধীনলৈ অনাৰ দাবী জনাইছে। মণিপুৰ আৰক্ষীৰ আইন-শৃংখলাৰ দায়িত্বত থকা অতিৰিক্ত আৰক্ষী সঞ্চালক প্রধান লহৰি দর্জি লহাটুৱে মঙলবাৰে জনাইছিল যে, দুজন যুৱকৰ অপহৰণ আৰু হত্যাৰ গোচৰটো ৰাষ্ট্রীয় অনুসন্ধান সংস্থালৈ হস্তান্তৰৰ প্রস্তাৱ চূড়ান্ত পর্যায়ত আছে।

২০২৩ চনৰ মে' মাহৰ পৰা মেইতেই আৰু কুকি সম্প্রদায়ৰ মাজত চলি থকা জাতিগত সংঘাতে মণিপুৰৰ নিৰাপত্তা পৰিস্থিতিক এতিয়াও প্রভাৱিত কৰি আহিছে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক: newznow.in/news/2445/manipur-kangpokpi-shooting-woman-killed